ঢেঁকীয়া অতিকে দুৰ্লভ। 'ব্ৰিটিছ মিউজিয়াম'ৰ ক্ৰিষ্ট'ফাৰ ফ্ৰেজাৰ জেনকিনছ নামৰ এজন ইংৰাজ বিজ্ঞানীয়ে এমাহ ধৰি নামবৰৰ ঢেঁকীয়াৰ বিষয়ে গৱেষণা চলাই এখন কিতাপো প্ৰকাশ কৰিছিল। বনৌষধিৰ ভঁৰালস্বৰূপ নামবৰত বিশুদ্ধ খোৱাপানী পাব পৰা ঔ লতা বা পানী লতাৰ দৰে উদ্ভিদো পোৱা যায়। বিভিন্ন ধৰণৰ অৰ্কিড আৰু বেত এই অভয়াৰণ্যত আছে। এনেদৰে বিভিন্ন সম্পদেৰে চহকী নামবৰ সংৰক্ষিত বনাঞ্চলে বিশ্বৰ ভিতৰতে এখন উল্লেখযোগ্য বনাঞ্চল হিচাপে স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছে।

**ৰূপক জি দুৱৰা**,
আইদেউ সন্দিকৈ পথ,
ডাক ঃ সাউকুছি, ৰাজহ নগৰ,
গুৱাহাটী-৭৮১০৪০, ফোন ঃ ৬০২৬৪৭৩৭৩৪

## বিকাশ বৰুৱাৰ শেলে বৰ বিন্ধে

সমাজ এখন যেতিয়া অতিশয় উচ্ছৃংখল হৈ পৰে, গণতান্ত্ৰিকভাৱে নিৰ্বাচিত চৰকাৰ এখন যেতিয়া দুৰ্নীতি ৰোধ কৰাত অসফল হয়, সৰ্বসাধাৰণ ৰাইজ যেতিয়া সম্ভাব্য নিৰাপত্তাহীনতাত ভোগে আৰু নিজৰ জাতিটোক মনে-প্ৰাণে ভালপোৱাসকলে লাহে লাহে নিশ্চিহ্ন হৈ যাবলৈ ধৰা জাতিটোৰ ভাষা, সংস্কৃতি আৰু অস্তিত্বক লৈ শংকিত হৈ পৰে, তেতিয়াই সমাজত অথবা ৰাজ্যৰ চুকে-কোণে ক্ষোভৰ উদগীৰণ হ'বলৈ ধৰে। দুৰ্নীতিৰ লগত আপোচ কৰিব নোখোজা কবি, সাহিত্যিকসকলে তেতিয়াই তেওঁলোকৰ গল্প, কবিতা, প্ৰবন্ধ নতুবা কালজয়ী উপন্যাসৰ জৰিয়তে এই ক্ষোভবিলাকৰ বহিঃপ্ৰকাশ ঘটাই জনসাধাৰণক অতিকৈ সচেতন কৰি দিয়ে। এনেকুৱা জাতীয় সংকট কালত ব্যংগ সাহিত্যিকসকলৰ ভূমিকাও উল্লেখনীয় হৈ পৰে। আমি লক্ষ্য কৰিছোঁ—ব্যংগ সাহিত্যিকসকলে সাধাৰণতেই নিৰপেক্ষতা মানি চলে। কি শাসক, কি বিৰোধী, কি জাতীয় সংগঠন, কি জাতিদ্ৰোহী সংগঠন সকলোৰেই দোষ-ত্ৰুটিবোৰ এই ব্যংগ সাহিত্যিকসকলে তেওঁলোকৰ ক্ষুৰধাৰ লেখাৰে থকাসৰকা কৰি দিয়ে। এইক্ষেত্ৰত ডাঃ বিকাশ বৰুৱাৰ ব্যংগ ৰচনাবোৰ অন্যতম। সৰু-বৰ যিকোনো ঘটনাকেই অতি সূক্ষ্মভাৱে বিশ্লেষণ কৰি লিখা বিকাশ বৰুৱাৰ ব্যংগাত্মক শিতান 'ৰঞ্জন' (ৰসালাপ) প্ৰান্তিক আলোচনীখনৰ এটা অন্যতম জনপ্ৰিয় শিতান। ব্যংগাত্মক ৰচনাৰে বিকাশ বৰুৱাই সমাজত আৰু আমাৰ ৰাজ্যখনত ঘটি থকা বহু ঘটনাৰ বিষয়ে লিখি হাঁহিৰ খোৱাকেৰেই সৰ্বসাধাৰণৰ চকু মেল খুৱালেও, যিসকল লোকৰ দুৰ্নীতি, খোৱা-কামোৱা, ৰাজনীতিৰ ছল-চাতুৰী, দুমুখীয়া নীতিৰে ৰাইজক বিভ্ৰান্ত কৰা আদিৰ বিষয়ে তেখেতৰ লেখাবোৰত প্ৰকাশ পায়, সেইসকলক যে শেলে বিন্ধাদি বিন্ধে ই কিন্তু সত্য। আন পাঠকক বিন্ধে নে নিবিন্ধে নাজানো; ডাঃ বিকাশ বৰুৱাৰ 'শেল'পাতে কিন্তু মোকো বৰ দকৈ বিন্ধে; কিয়নো বৰুৱাদেৱৰ সেই ব্যংগাত্মক লেখাবোৰ পঢ়াৰ লগে লগেই মই নিজকেই সজাই লওঁ এজন অতি লুভীয়া দুৰ্নীতিগ্ৰস্ত বিষয়া হিচাপে, নিজকে সজাই লওঁ এজন ধুৰন্ধৰ ৰাজনীতিক হিচাপে, সজাই লওঁ নিজকে এজন দুই তাল মিলাই ৰাখিব খোজা, অনবৰতেই লোকৰ দোষ খুঁচৰি থকা, তিলটোকে তাল কৰি এখন ঘৰ থান-বান কৰি দিব পৰা পুৰুষ হিচাপে নতুবা মহিলা হিচাপে আৰু সেই কাৰণেই উপলব্ধি কৰিব পাৰোঁ শেলপাতে কিমান দলৈকেনো মোক বিন্ধিছে।

মই ডাঃ বৰুৱাৰ শক্তিশালী বাৰ্তা প্ৰেৰণ কৰা লেখাবোৰ যিমান পাৰোঁ 'স্কেন' কৰি বহু লোকলৈ 'ৱাটছএপ'ত পঠাই দিওঁ যাতে অসমীয়া আলোচনী কিনি পঢ়িবলৈ বেয়া পোৱা লোকসকলেও এনে ধৰণৰ লেখাবোৰৰ সোৱাদ পায় আৰু মৰ্মাৰ্থবোৰ বুজি পায়; লগতে সংশ্লিষ্ট কৰ্তৃপক্ষ আৰু ৰজাঘৰীয়ায়ো এই লেখাবোৰৰ আচল উদ্দেশ্য ভালদৰে উপলব্ধি কৰিব পাৰে।

**পৱিত্ৰ কুমাৰ শৰ্মা**,
ভাৰতীয় ষ্টেট বেংকৰ বিষয়াসকলৰ আৱাসিক
চৌহদ, ভঙাগড়, গুৱাহাটী-৭৮১০০৫,
ফোন ঃ ৯৪৩৫১৬৭৫৪৫

## 'সংকট কালতহে নেতাৰ প্ৰকৃত পৰিচয় পোৱা যায়'

প্ৰান্তিকৰ (১।৬।২০২০) সম্পাদকীয়ত লিখা কথাখিনি পঢ়ি ভাল লাগিল যদিও এটা কথাত আমি একমত হ'ব নোৱাৰিলোঁ। লকডাউন সম্পৰ্কত কোৱা 'ততালিকে আগ-পিছ নাভাবি' কথাটো মানিবলৈ অসুবিধা হয়। ১৩০ কোটি জনগণক বচাবলৈ হঠাৎ লকডাউন কৰিব লগা হোৱাটো চৰকাৰৰ ভুল আছিল বুলি আমি নাভাবোঁ। অৱশ্যে ইয়াৰ কাৰণে জনসাধাৰণে, বিশেষকৈ শ্ৰমিক শ্ৰেণীৰ লোকে ভুগিব লগা দুখ-দুৰ্গতি দেখি সকলোৰে মনত দুখ লগাৰ কথা। হঠাৎ ধুমুহাৰ দৰে অহা এটা বিপদত ৰাইজক বচাবলৈ চৰকাৰে লকডাউন কৰাৰ আগতে নিশ্চয় বিশদভাৱে আলোচনা কৰিছিল। প্ৰধানমন্ত্ৰীয়ে এই কাম কৰিবলগীয়া হোৱা বাবে নিজেই ক্ষমা-প্ৰাৰ্থনা বিচাৰিছিল। সেই একেটা ভুল আমেৰিকাই কৰা বাবে তাত ভাৰতৰ প্ৰায় এক-চতুৰ্থাংশ মানুহ থকা সত্ত্বেও হাজাৰ লোকে প্ৰাণ হেৰুৱায়। এই বিষয়ে সেই সংখ্যাতে চম্পক শৰ্মাই এটা লেখাত লকডাউনৰ সিদ্ধান্ত উচিত আছিল বুলি মত পোষণ কৰিছিল।

**ডঃ প্ৰতাপ চন্দ্ৰ শৰ্মা**,
সোণালী জয়ন্তী নগৰ, যোৰহাট-৭৮৫০০১,
ফোন ঃ ৯৪৩৫৩৫২৭১৭
e-mail : pratap_sarmah@yahoo.com

## 'শেষ বাক্য'

প্ৰান্তিকৰ ১-১৫ ফেব্ৰুৱাৰি, ২০২০ সংখ্যাৰ বিজয়া দুৱৰাৰ 'শেষ বাক্য' গল্পটি পঢ়ি আপ্লুত হৈছোঁ। বাস্তৱৰ জীয়া ছবি নিপুণ তুলিকাৰে অংকন কৰা গল্পটিত গল্পকাৰে প্ৰত্যেকটো চৰিত্ৰ সজীৱ ৰূপত তুলি ধৰিছে। "প্ৰভা আৰু অশোকৰ সহায়ত মাকক গাড়ীৰ পিছৰ আসনত শুৱাই দি দুৱাৰৰ কাষত বহা অনিতে মাকৰ মূৰটো আলফুলে কোলাত লৈ আছিল যাতে গাড়ীৰ জোকাৰণিত মাকে কষ্ট নাপায়।"—লেখিকাৰ নিখুঁত সজীৱ বৰ্ণনাই হয়তো সকলো সহৃদয় পাঠকৰ অন্তৰ চুই গৈছে। শব্দৰ যাদুকৰী পৰশত প্ৰতিটো মুহূৰ্ত প্ৰাণৱন্ত হৈ ধৰা দিছে। মৃণালিনীৰ মনৰ অৱস্থাৰ চিত্ৰ হৃদয়স্পৰ্শী। এতিয়াও আমাৰ সমাজত অনিতৰ দৰে পিতৃ-মাতৃৰ দায়িত্ব সুচাৰুৰূপে পালন কৰা সন্তান আছে।

বিজয় দুৱৰাৰ 'শেষ বাক্য'ই আমাক সকলো কথা আকৌ নতুনকৈ ভাবিবলৈ অৱকাশ দিলে।

**মমী দেৱী শৰ্মা**,
প্ৰবক্তা, ৰামানুজন কনিষ্ঠ মহাবিদ্যালয়, বীৰেন মহন্ত
পথ, আমোলাপট্টি, নগাঁও, ফোন ঃ ৯৭০৭২৯৮৬৬২

## শুধৰণি

১৬-৩১ আগষ্ট, ২০২০ সংখ্যাত প্ৰকাশিত ডঃ কুলেন্দু পাঠকৰ 'দুশ্চিন্তা আৰু হাবল-বিজুতি' শীৰ্ষক প্ৰবন্ধটোৰ শেষৰ পেৰেগ্ৰাফৰ ২০ নম্বৰ শাৰীটোৰ 'হাবল ধ্ৰুৱকৰ নাম বেলেগ হ'লে ...' বাক্যটিৰ তলত আঁচ টনা শব্দটো 'নাম'ৰ সলনি 'মান' হ'ব।

—স. প্ৰা.

## সম্পাদকৰ কোঠালিত

বন্ধু ঃ মানুহ সদায় আশাবাদী হ'ব লাগে বুজিছা। ব্ৰহ্মপুত্ৰৰ ওপৰেদি সুদীৰ্ঘ ১৭ বছৰৰ অন্তত গুৱাহাটী-উত্তৰ গুৱাহাটীৰ মাজত ৰজ্জুপথ যেতিয়া চলিলেই আৰু কমেও দহ বছৰৰ ভিতৰত ব্ৰহ্মপুত্ৰৰপৰা পানী তুলি প্ৰতিঘৰ গুৱাহাটীবাসীক মন্ত্ৰীবিশেষে পানীৰ যোগান দিয়াবই।